**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-09-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

## ***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰাখণ্ডৰ ডেৰাডুনত ডাৱৰ বিস্ফোৰণ, বৰষুণ আৰু ভূমিস্খলনৰ ফলত হোৱা পৰিস্থিতি আৰু ক্ষয়ক্ষতিৰ পৰ্যালোচনা কৰে।

২। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে চেনী উদ্যোগক দেশৰ মেৰুদণ্ড আখ্যা দিয়ে।

৩। ৰে'ল তথা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে মেক ইন ইণ্ডিয়াৰ অধীনত দেশখনে দ্ৰুত গতিত তথ্য, প্ৰযুক্তি আৰু বৈদ্যুতিক সামগ্ৰী উৎপাদনৰ কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই আজি ডেংগু আৰু মেলেৰিয়াৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে দুয়োবিধ ৰোগ প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বুজ লয়।

আৰু

৫। নতুন দিল্লীত আজি ১২ দিনীয়া থাল সৈনিক কেম্প-২০২৫ৰ সামৰণি পৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰাখণ্ডৰ ডেৰাডুনত ডাৱৰ বিস্ফোৰণ, বৰষুণ আৰু ভূমিস্খলনৰ ফলত হোৱা পৰিস্থিতি আৰু ক্ষয়ক্ষতিৰ পৰ্যালোচনা কৰে। পৰিস্থিতিৰ পৰ্যালোচনা কৰি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে উত্তৰাখণ্ডলৈ ১২শ কোটি টকাৰ বিত্তীয় সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে অঞ্চলটোৰ জনসাধাৰণৰ সহায়, সাহায্যৰ বাবে বহুমুখী প্ৰচেষ্টাৰ আহ্বান জনায়। এই প্ৰচেষ্টাৰ অংশ হিচাপে প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত বাসগৃহ পুনৰ নিৰ্মাণ, ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ মেৰামতি, বিদ্যালয়সমূহৰ পুনৰ নিৰ্মাণ আদি অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰাকৃতিক দুৰ্যোগত মৃত্যু হোৱা লোকৰ বাবে দুই লাখ টকাকৈ আৰু গুৰুতৰভাৱে আহত সকললৈ ৫০ হাজাৰ টকাৰ সাহায্য ঘোষণা কৰে। শেহতীয়া বান আৰু ভূমিস্খলনৰ ঘটনাত অনাথ হোৱা শিশুসকলৰ কল্যাণৰ  দায়িত্ব পি এম কেয়াৰছ্ আঁচনিৰ অধীনত লোৱা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০০

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে  চেনী উদ্যোগক দেশৰ মেৰুদণ্ড আখ্যা দি প্ৰশংসা কৰে। কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী প্ৰহ্লাদ যোশীৰ সৈতে ভাৰত চেনী আৰু জৈৱ শক্তি সন্মিলনত অংশগ্ৰহণ কৰি শ্ৰী গাডকাৰীয়ে কয়, যে ২০ শতাংশ ইথানল সংমিশ্ৰণৰ জৰিয়তে ভাৰতৰ জৈৱ শক্তিখণ্ডই প্ৰধান খেলুৱৈ হিচাপে আত্মপ্ৰকাশ কৰিছে। তেওঁ বায়ু প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে জীৱাশ্ম ইন্ধনৰ আমদানী হ্ৰাস কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত   আলোকপাত কৰে। যোৱা ১১ বছৰত দেশখনৰ ইথালন সংমিশ্ৰণ এক দশমিক ৫ শতাংশৰ পৰা ২০

শতাংশলৈ বৃদ্ধি পাইছে বুলিও তেওঁ লগতে উল্লেখ কৰে। পৰম্পৰাগত শস্যৰ পৰা কুঁহিয়াৰ কৌশলগত অৰ্থনৈতিক আৰু শক্তি সম্পদলৈ পৰিণত হোৱা বুলিও মন্ত্ৰীগৰাকীয়ে ব্যক্ত কৰে।

০০০০০০০

কেন্দ্ৰীয় ৰে'ল তথা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আত্মনিৰ্ভৰশীলতাৰ দৃষ্টিভংগী আৰু মেক ইন ইণ্ডিয়াৰ অধীনত দেশখনে দ্ৰুত গতিত তথ্য, প্ৰযুক্তি আৰু বৈদ্যুতিক সামগ্ৰীৰ উৎপাদনৰ কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। আজি জয়পুৰত **লঘু উদ্যোগ ভাৰতী**য়ে আয়োজন কৰা আইডিয়াথন ২০২৫ৰ অধিৰেশনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে তথ্য, প্ৰযুক্তি খণ্ডত ভাৰতৰ অগ্ৰগতি বিশ্বব্যাপি চৰ্চাৰ কেন্দ্ৰত পৰিণত হৈছে। তেওঁ জনোৱা অনুসৰি দেশত ১১ লাখ কোটি টকা মূল্যৰ বৈদ্যুতিক সামগ্ৰী উদ্যোগ গঢ় লৈ উঠিছে আৰু এই উদ্যোগসমূহে প্ৰায় ২৫ লাখতকৈও অধিক লোকক কৰ্মসংস্থাপন দিছে। ভাৰতৰ বৈদ্যুতিক সামগ্ৰীৰ উৎপাদন কেৱল ঘৰুৱা প্ৰয়োজনীয়তা পূৰণ কৰোৱাই নহয়, ৰপ্তানিৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় বজাৰসমূহতো স্থান দখল কৰিছে। তেওঁ শেহতীয়াকৈ দেশখনে ছেমিকণ্ডাক্টৰ শ্বিপ নিৰ্মাণত সফলতা সন্দৰ্ভত আলোকপাত কৰে। শেহতীয়া জি এছ টি সংস্কাৰৰ কথাও উল্লেখ কৰি অশ্বিনী বৈষ্ণৱে কয়, যে ইয়াৰ জৰিয়তে দৈনিক ব্যৱহাৰ্য্য বহু সামগ্ৰীৰ মূল্য হ্ৰাস পোৱাৰ লগতে ব্যৱসায়ীসকল তথা দেশৰ অৰ্থনীতিও উপকৃত হ'ব। উল্লেখযোগ্য যে, ভ্ৰমণৰ সময়ত শ্ৰী বৈষ্ণৱে জয়পুৰৰ বিভিন্ন ৰে'ল প্ৰকল্প পৰিদৰ্শন কৰাৰ লগতে নিৰ্মিয়মান উন্নয়নমূলক কামকাজসূহৰ পৰ্যালোচনা কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত দেশখনে সাংস্কৃতিক নৱজাগৰণৰ এটা পৰ্যায়ৰ মাজেৰে গতি কৰিছে। নতুন দিল্লীত অনুষ্ঠিত জ্ঞান ভাৰতম্ আন্তৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰি কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে এই কথা ব্যক্ত কৰে। জ্ঞান ভাৰতম্ হৈছে ভাৰতৰ প্ৰাচীন পাণ্ডুলিপিৰ ঐতিহ্য সংৰক্ষণ, ডিজিটাইজেচন আৰু প্ৰচাৰৰ বাবে উৎসৰ্গিত এটা পদক্ষেপ। শ্ৰী শেখাৱটে কয় যে জ্ঞান ভাৰতম্ অভিযানৰ লক্ষ্য হৈছে ভাৰতৰ পাণ্ডুলিপিক ভৱিষ্যতৰ বাবে সংৰক্ষণ কৰা। মন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি,এই অভিযানৰ অধীনত ২৫ টা ক্লাষ্টাৰ,২০ টা আঞ্চলিক কেন্দ্ৰ আৰু দহটা উৎকৃষ্টতাৰ কেন্দ্ৰৰ বাবে পৰিকল্পনা কৰা হৈছে । হাজাৰ হাজাৰ বছৰৰ আগতে সৃষ্টি হোৱা জীৱনৰ সৈতে জড়িত সেই সকলো শিক্ষা এতিয়াও মানৱ জাতি তথা পৰিৱেশৰ বাবে উপযোগী। এই সন্মিলনখনত দেশী-বিদেশী পণ্ডিত,বিশেষজ্ঞ, প্ৰতিষ্ঠান আৰু সাংস্কৃতিক অনুশীলনকাৰীকে ধৰি এহাজাৰ এশৰো অধিক অংশগ্ৰহণকাৰীয়ে ভাগ লয়।

০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই আজি ডেংগু আৰু মেলেৰিয়াৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে দুয়োবিধ ৰোগ প্ৰতিৰোধৰ বাবে চৰকাৰে লোৱা ব্যৱস্থাৱলীৰ বুজ লয়। এই পৰ্যালোচনা বৈঠকতে মন্ত্ৰী নাড্ডাই সংশ্লিষ্ট ৰাজ্য চৰকাৰ, স্থানীয় সংস্থাসমূহক জনস্বাস্থ্যৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ৰোগ দুবিধৰ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে আহ্বান জনায়। স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকললৈ কেতবোৰ পৰামৰ্শৱলী আগবঢ়াই, সমাগত দিনবোৰত ডেংগু আৰু মেলেৰিয়া পৰিস্থিতিৰ নিৰীক্ষণৰ লগতে ইয়াৰ প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ সমান্তৰালভাৱে জনসচেতনতা সৃষ্টিৰ প্ৰয়াস কৰিবলৈ আহ্বান জনায়।

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে ৰাজ্যসমূহৰ স্বাস্থ্য মন্ত্ৰীসকলক ব্যক্তিগতভাৱে পৰিস্থিতিৰ পৰ্যালোচনা কৰিবলৈ পৰামৰ্শ দিয়াৰ লগতে ২০ দিনৰ ভিতৰত কাৰ্য পৰিকল্পনা প্ৰস্তুত কৰিবলৈ আহ্বান জনায়। মন্ত্ৰী নাড্ডাই কয়, যে কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ হাস্পতালসমূহৰ লগতে অন্যান্য হাস্পতালসমূহকো প্ৰয়োজনীয় ঔষধ, পৰীক্ষা-নিৰীক্ষা, বিচনা আৰু মʼহ মুক্ত পৰিৱেশ নিশ্চিত কৰিবলৈ আহ্বান জনায়।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে মেলেৰিয়া প্ৰতিৰোধৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰিছে। তেওঁ কয়, যে চৰকাৰে ২০১৫ৰ পৰা ২০২৪ চনৰ ভিতৰত মেলেৰিয়া জনিত ৰোগত মৃত্যু হোৱা ৰোগীৰ সংখ্যা প্ৰায় ৭৮ শতাংশ হ্ৰাস কৰিবলৈ সমৰ্থ হৈছে। ২০২২-২০২৪ চনত দেশৰ ১৬০ খন জিলা মেলেৰীয়া শূন্য বুলি প্ৰতিবেদন প্ৰকাশ হোৱাৰ কথাও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

0000000

বৈদেশিক সচিব বিক্ৰম মিশ্ৰিয়ে আজি কয়, যে ভাৰত আৰু মৰিচাছ দুখন গুৰুত্বপূৰ্ণ সামুদ্ৰিক প্ৰতিবেশী ৰাষ্ট্ৰ হিচাপে সামুদ্ৰিক সুৰক্ষা, চোৰাং কাৰবাৰ আৰু মাদকদ্ৰব্য সৰবৰাহৰ দৰে প্ৰত্যাহ্বানসমূহ নিৰ্মূল কৰিবলৈ একেলগে কাম কৰি আহিছে। আজি বিয়লি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী মিশ্ৰিয়ে কয়, যে মৰিচাছ হৈছে ভাৰতৰ প্ৰতিবেশী প্ৰথম নীতি আৰু মহাসাগৰ (MAHASAGAR) লক্ষ্যৰ গুৰুত্বপূৰ্ণ অংশীদাৰ। তেওঁ লগতে কয়, যে ভাৰত আৰু মৰিচাছৰ দ্বিপাক্ষিক সম্পৰ্ক এটা ব্যতিক্ৰমী সম্পৰ্ক। এই সম্পৰ্ক সাংস্কৃতিক, সভ্যতাকেন্দ্ৰীক আৰু জনগোষ্ঠীয় সম্পৰ্কৰ ভেটিত গঢ় লৈ উঠিছে। এই সম্পৰ্ক জনসাধাৰণৰ মাজত গঢ়ি উঠাৰ লগতে ই বাণিজ্য, অৰ্থনীতি, বিত্ত আৰু বিনিয়োগৰ ক্ষেত্ৰতো গঢ় লৈ উঠিছে। তেওঁ লগতে কয়, যে উন্নয়নমূলক সহযোগিতা, সামুদ্ৰিক সুৰক্ষা আৰু স্বাস্থ্যখণ্ডৰ উন্নয়নৰ বাবে ভাৰত আৰু মৰিচাছে একেলগে কাম কৰি আহিছে।

0000000

পাঞ্জাবত সীমান্ত সুৰক্ষা বাহিনীয়ে পাঞ্জাব আৰক্ষীৰ সহযোগত অভিযান চলাই ফাজিলকাত ২৭টা পিষ্টল আৰু ৪৭০ টা সজীৱ গুলী জব্দ কৰাৰ লগতে দুজন অস্ত্ৰ সৰবৰাহকাৰীক আটক কৰে।

পৰৱৰ্তী সময়ত পাঞ্জাব আৰক্ষীয়ে অভিযোগ কৰে যে, এই অপাৰেচনৰ জৰিয়তে আৰক্ষীয়ে সীমান্তত অস্ত্ৰৰ চোৰাং কাৰবাৰ ধৰা পেলায়। প্ৰাথমিক অনুসন্ধানত এই কথা পোহৰলৈ আহিছে যে, পাকিস্তানে পাঞ্জাবৰ অপৰাধী চক্ৰসমূহৰ ব্যৱহাৰৰ বাবে এই অস্ত্ৰ-শস্ত্ৰসমূহৰ যোগান ধৰি আহিছে।

ইপিনে, অমৃতসৰত চলোৱা আন এটা অভিযানত ছজনকৈ অস্ত্ৰ সৰবৰাহকাৰীক আটক কৰাৰ লগতে সৰবৰাহকাৰীসকলৰ পৰা পাঁচ কোটি ৭৫ লাখ টকা জব্দ কৰে। সীমান্তত অস্ত্ৰ সৰবৰাহৰ নেটৱৰ্ক সন্দৰ্ভত আৰক্ষীয়ে ব্যপাক অনুসন্ধান চলাই আছে।

০০০০০০০

দিল্লী আৰক্ষীৰ বিশেষ শাখাই সন্ত্ৰাসবাদী সংগঠনৰ ঘাটি উৎখাত কৰে আৰু বিভিন্ন ৰাজ্যৰ পৰা পাঁচজন সন্দেহযুক্ত সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰে। নতুন দিল্লীত আজি এখন সংবাদমেলত বিশেষ শাখাৰ অতিৰিক্ত আৰক্ষী আয়ুক্ত প্ৰমোদ সিং কুশ্বৰাহাই এই কথা প্ৰকাশ কৰি কয়, যে সন্ত্ৰাসবাদী কেইজনক দিল্লী, ঝাৰখণ্ড, তেলেংগানা আৰু মধ্য প্ৰদেশৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছে। দিল্লী আৰক্ষীয়ে সন্ত্ৰাসবাদী কেইজনৰ পৰা বিস্ফোৰক সামগ্ৰী নিৰ্মাণত ব্যৱহাৰ কৰা সামগ্ৰী উদ্ধাৰ কৰে বুলি অতিৰিক্ত আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে ঝাৰখণ্ডৰ ৰাঁচীৰ নিবাসী মূল অভিযুক্ত আছহাৰ দানিছে পাকিস্তানৰ হেণ্ডলাৰৰ সৈতে যোগাযোগত আছিল আৰু তেওঁৰেই গোটটোৰ বাকীকেইজন সদস্যক যোগাযোগ কৰিছিল।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি লক্ষ্ণৌ, তিৰুৱনন্তপুৰম, ত্ৰীচি, কালিকট আৰু অমৃতসৰ বিমান বন্দৰত ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে FAST TRACK IMMIGRATION- বিশ্বাসযোগ্য যাত্ৰী কাৰ্যসূচী উদ্বোধন কৰে। ইয়াৰ জৰিয়তে ভিন ভিন কামত বিদেশলৈ যাত্ৰা কৰা লোকসকলৰ পাছপ'ৰ্টকে ধৰি যাৱতীয় নথি-পত্ৰ পৰীক্ষাৰ প্ৰক্ৰিয়া দ্ৰুত, সৰল আৰু সুৰক্ষিত কৰাৰ লক্ষ্য লোৱা হৈছে। এই ব্যৱস্থাই ভাৰতীয় নাগৰিক আৰু প্ৰবাসী লোকসকলক অধিক সুবিধা প্ৰদান কৰিব। বিমান বন্দৰৰ ই-প্ৰৱেশদ্বাৰ অথবা স্বয়ংচালিত প্ৰৱেশদ্বাৰসমূহৰ এই ব্যৱস্থা থাকিব। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে FAST TRACK IMMIGRATION ব্যৱস্থা হৈছে এটা বিশ্বাসযোগ্য কাৰ্যসূচী, যিয়ে IMMIGRATION প্ৰক্ৰিয়া সৰল আৰু বাধাহীন কৰি তুলিব। এই ব্যৱস্থাই যাত্ৰীৰ সুবিধা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা – দুয়োটাৰে প্ৰসাৰ কৰিব বুলি শ্ৰী শ্বাহে উল্লেখ কৰে। তেওঁ কয়, যে যোৱাবছৰ দিল্লীত এই কাৰ্যসূচী মুকলি কৰা হৈছিল আৰু বৰ্তমানলৈকে দেশৰ মুঠ ১৩ টা বিমানবন্দৰত এই ব্যৱস্থা আৰম্ভ কৰা হৈছে। এই পৰ্টেলত এতিয়ালৈকে ৩ লাখ যাত্ৰীয়ে পঞ্জীয়ন কৰিছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০০

নতুন দিল্লীত আজি ১২ দিনীয়া থাল সৈনিক কেম্প-২০২৫ৰ সামৰণি পৰে। এটা বিবৃতিত প্ৰতিৰক্ষা মন্ত্ৰালয়ে কয়, যে এই শিবিৰত দেশৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী চমুকৈ এন চি চি সঞ্চালকালয়ৰ এহেজাৰ ৫০০তকৈও অধিক কেডেটে অংশগ্ৰহণ কৰে। শিবিৰত মানচিত্ৰ অধ্যয়ন, দূৰত্ব আৰু ক্ষেত্ৰসংকেট বিচাৰক, অস্ত্ৰ গুলীচালনা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা আদিকে ধৰি কেডেটসকলৰ শাৰীৰিক-মানসিক সামৰ্থক প্ৰত্যাহ্বান জনোৱা বিভিন্ন প্ৰতিযোগিতা সামৰি লোৱা হয়।

০০০০০০০

সমাপ্ত